**NSD NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 11-11-2025
**Time:** 19-10 Hrs

***Assamese Evening Bulletin***
***Headlines***

:::::::::::::::::::::::::::::::::::::::::

১। গৃহমন্ত্ৰী অমিত শ্বাহে আজি নতুন দিল্লীৰ তেওঁৰ বাসভৱনত লালকিল্লাৰ সমীপত হোৱা গাড়ী বোমা বিস্ফোৰণৰ পাছৰ পৰিস্থিতিৰ পৰ্যালোচনা কৰাৰ উদ্দেশ্যে এখন উচ্চস্তৰীয় নিৰাপত্তা বৈঠকত অধ্যক্ষতা কৰে।

২। প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে দেশবাসীক আশ্বাস দি কয় যে দিল্লী বিস্ফোৰণত জড়িতসকলক বিচাৰৰ কাঠগড়ালৈ অনা হ'ব আৰু কঠোৰ শাস্তি বিহা হ'ব।

৩। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি থিম্ফুত ভূটানৰ ৰজা জিগমে খেছৰ নামগ্যিয়াল ৱাংচুকৰ সৈতে এখন প্ৰতিনিধি পৰ্যায়ৰ বৈঠকত মিলিত হয়।

৪। বিহাৰত আজি বিধানসভা নিৰ্বাচনৰ দ্বিতীয় তথা অন্তিম পৰ্যায়ৰ ভোটগ্ৰহণ সুকলমে সম্পন্ন হয়। ***আৰু***

৫। দৃষ্টিহীন মহিলাৰ টি-২০ বিশ্বকাপৰ প্ৰথম সংস্কৰণত ভাৰতে শ্ৰীলংকাক ১০ উইকেটত পৰাস্ত কৰে।

০০০০

গৃহমন্ত্ৰী অমিত শ্বাহে আজি নতুন দিল্লীৰ তেওঁৰ বাসভৱনত লালকিল্লাৰ সমীপত হোৱা গাড়ী বোমা বিস্ফোৰণৰ পাছৰ পৰিস্থিতিৰ পৰ্যালোচনা কৰাৰ উদ্দেশ্যে এখন উচ্চস্তৰীয় নিৰাপত্তা বৈঠকত অধ্যক্ষতা কৰে। বৈঠকত কেন্দ্ৰীয় গৃহ সচিব, চোৰাংচোৱা সংস্থাৰ সঞ্চালক, দিল্লীৰ আৰক্ষী আয়ুক্ত আৰু ৰাষ্ট্ৰীয় তদন্তকাৰী সংস্থাৰ সঞ্চালকপ্ৰধানে অংশগ্ৰহণ কৰে। জম্মু-কাশ্মীৰ আৰক্ষীৰ সঞ্চালক প্ৰধানেও ভাৰ্চুৱেল ব্যৱস্থাৰে এই বৈঠকত অংশগ্ৰহণ কৰে। ৰাষ্ট্ৰীয় তদন্তকাৰী সংস্থাই এন আই এক গৃহমন্ত্ৰালয়ে এই বিস্ফোৰণৰ ঘটনাৰ তদন্তৰ দায়িত্ব অৰ্পন কৰিছে। মহানগৰখনত সকলো স্পৰ্শকাতৰ এলেকাতে নিৰাপত্তা ব্যৱস্থা কটকটীয়া কৰি তোলা হৈছে। বিস্ফোৰণৰ কাৰণ উদ্ঘাটন কৰাৰ লগতে জনসাধাৰণৰ সুৰক্ষা সুনিশ্চিত কৰাৰ ক্ষেত্ৰত প্ৰশাসনে বিশেষ গুৰুত্ব আৰোপ কৰিছে। নিৰাপত্তাজনিত কাৰণত লালকিল্লা মেট্ৰ' ষ্টেছন বন্ধ থাকিব যদিও আন আন ষ্টেছনসমূহত যাতায়াত স্বাভাৱিক থাকিব বুলি দিল্লী মেট্ৰ' ৰে'ল নিগমে প্ৰকাশ কৰিছে। অহা বৃহস্পতিবাৰলৈকে লালকিল্লাও দৰ্শনাৰ্থীসকলৰ বাবে বন্ধ ৰখা হ'ব।

০০০০

ইফালে দিল্লী আৰক্ষীয়ে ইতিমধ্যে বিস্ফোৰণত ব্যৱহৃত গাড়ীখন চিনাক্ত কৰিছে। আৰক্ষীয়ে বেআইনী কাৰ্যকলাপ (প্ৰতিৰোধ) আইন আৰু ভাৰতীয় ন্যায় সংহিতাকে ধৰি ভিন ভিন আইনৰ বিভিন্ন ধাৰাৰ অধীনত ইতিমধ্যে এটা গোচৰ ৰুজু কৰিছে।

ঘটনাটো সন্দৰ্ভত খবৰ লোৱাৰ বাবে দিল্লী আৰক্ষীয়ে কেইবাটাও হেল্পলাইন নম্বৰ মুকলি কৰিছে। জৰুৰী ফোন নম্বৰ ১১২ ৰ লগতে এই সন্দৰ্ভত মুকলি কৰা দিল্লী আৰক্ষীৰ নিয়ন্ত্ৰণ কক্ষৰ নম্বৰ দুটা হ'ল ০১১-২২৯১০০১০

আৰু ০১১-২২৯১০০১১। একেদৰে এল এন জে পি হাস্পতালৰ ০১১-২৩২৩৩৪০০ আৰু ০১১-২৩২৩৯২৪৯ নম্বৰতো যোগাযোগ কৰিব পৰা হ'ব বুলি কোৱা হৈছে।

০০০০০

প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে দেশবাসীক আশ্বাস দি কয় যে দিল্লী বিস্ফোৰণত জড়িতসকলক বিচাৰৰ কাঠগড়ালৈ অনা হ'ব আৰু কঠোৰ শাস্তি বিহা হ'ব। নতুন দিল্লীত আজি দিল্লী প্ৰতিৰক্ষা আলোচনাত ভাষণ দি শ্ৰী সিঙে কয়, যে আগশাৰীৰ তদন্ত সংস্থাসমূহে বিস্ফোৰণৰ ঘটনাৰ পুংখানুপুংখ অনুসন্ধান কৰি আছে। তেওঁ কয়, যে তদন্তৰ তথ্যসমূহ অতি সোনকালে ৰাজহুৱা হ'ব। মন্ত্ৰীগৰাকীয়ে কালিৰ বিস্ফোৰণৰ ঘটনাত মৃত্যু হোৱা সকলৰ পৰিয়ালৰ প্ৰতি গভীৰ সমবেদনা জনায়।

প্ৰতিৰক্ষা মন্ত্ৰীগৰাকীয়ে কয় যে ভাৰতে প্ৰযুক্তি গ্ৰহণৰ পৰা নেতৃত্বলৈ নিৰ্ণায়কৰ ভূমিকা পালন কৰি আগবাঢ়িব লাগিব। তেওঁ লগতে কয় যে ভাৰতৰ শক্তি, ইয়াৰ প্ৰতিভা, ধাৰণা আৰু অংশীদাৰিত্বৰ পৰিবেশতন্ত্ৰত নিহিত হৈ আছে, য'ত যুৱ কৰ্মশক্তি আৰু ষ্টাৰ্টআপ সংস্কৃতি জড়িত হৈ আছে। তেওঁ লগতে কয় যে ডি আৰ ডি অ', ভাৰতীয় সশস্ত্ৰ বাহিনী, উদ্যোগ আৰু শিক্ষাৰ মাজত সহযোগিতা গভীৰ হৈ গৱেষনাৰ এক গুণগত চক্ৰৰ সৃষ্টি কৰিছে।

দিল্লী প্ৰতিৰক্ষা আলোচনা সন্দৰ্ভত শ্ৰী সিঙে কয়, যে প্ৰতিৰক্ষা আৰু নিৰাপত্তাৰ ক্ষেত্ৰত আহি পৰা প্ৰত্যাহ্বানসমূহৰ মুখামুখি হোৱাৰ বাবে দিল্লী প্ৰতিৰক্ষা আলোচনা হৈছে এখন উপযুক্ত মঞ্চ।

মন্ত্ৰীগৰাকীয়ে সশস্ত্ৰ বাহিনীসমূহক কেৱল অস্ত্ৰ-শস্ত্ৰৰ প্ৰযুক্তিৰ ক্ষেত্ৰতে নহয় প্ৰশিক্ষণ, পৰিকল্পনা আৰু পৰিচালনা ব্যৱস্থাৰ সৈতে জড়িত প্ৰযুক্তিৰ ক্ষেত্ৰতো উত্তম পদ্ধতি সন্ধান কৰিবলৈ আহ্বান জনায়।

০০০০

অসমত সন্ত্ৰাসবাদ মষিমূৰ কৰাৰ বাবে কঠোৰ পদক্ষেপ গ্ৰহণ কৰা হ'ব বুলি মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই আজি মন্তব্য কৰে। তেওঁ কয়, যে দিল্লীৰ ভয়াবহ বিস্ফোৰণৰ ঘটনাক লৈ সামাজিক মাধ্যমত আনন্দ কৰা লোকক প্ৰয়োজন হ'লে গ্ৰেপ্তাৰ কৰা হ'ব। তেনেলোকে আনন্দ-উল্লাস কৰি সন্ত্ৰাসবাদক সমৰ্থন জনাইছে বুলি তেওঁ কয়। এইসকল ব্যক্তিৰ তথ্য পৰীক্ষা কৰি গ্ৰেপ্তাৰ কৰিবলৈ অসম আৰক্ষীৰ সঞ্চালক প্ৰধানক নিৰ্দেশ দিয়া হৈছে বুলি তেওঁ প্ৰকাশ কৰে। দেশত যাতে সন্ত্ৰাসবাদে আকৌ মূৰ দাঙি উঠিব নোৱাৰে তাৰ বাবে জনগণ একত্ৰিত হ'ব লাগিব বুলি তেওঁ মন্তব্য কৰে।

০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি থিম্ফুত ভূটানৰ ৰজা জিগমে খেছৰ নামগ্যিয়াল ৱাংছুকৰ সৈতে এখন প্ৰতিনিধি পৰ্যায়ৰ বৈঠকত মিলিত হয়। উভয় দেশৰ মাজৰ সম্পৰ্ক শক্তিশালী কৰি তোলাৰ উদ্দেশ্যে ভাৰতে গ্ৰহণ কৰা ভালেমান পদক্ষেপ আৰু দুয়োদেশৰ মাজৰ সহযোগিতা দীৰ্ঘস্থায়ী কৰাৰ ক্ষেত্ৰত নতু ন দিল্লীৰ প্ৰতিশ্ৰুতিবদ্ধতাৰ বিষয়ে কৰা ঘোষণাৰ পাছতে এই বৈঠক অনুষ্ঠিত হয়। প্ৰধানমন্ত্ৰী শ্ৰীমোদী দুদিনীয়া ভ্ৰমণসূচীৰে আজি পুৱা ভূটানত উপস্থিত হয়। ভূটানৰ ৰজা দ্ৰুক গেয়ালপো আৰু প্ৰধানমন্ত্ৰী মোদীয়ে আজি সন্ধিয়া পুনাতচাংচু দ্বিতীয় জলবিদ্যুৎ প্ৰকল্প উদ্বোধন কৰে।

০০০০

বিহাৰত আজি বিধানসভা নিৰ্বাচনৰ দ্বিতীয় তথা অন্তিম পৰ্যায়ৰ ভোটগ্ৰহণ সুকলমে সম্পন্ন হয়। শেহতীয়া তথ্য অনুসৰি বিয়লি ৫ বজালৈ ৬৭ দশমিক ১-৪ শতাংশ ভোটদান সম্পন্ন হৈছে। আজিৰ ভোটগ্ৰহণত কিষাণগঞ্জ, কাটিহাৰ আৰু পুৰ্ণিয়াত সৰ্বাধিক ৭০ শতাংশ ভোটদাতাই নিজৰ গণতান্ত্ৰিক অধিকাৰ সাব্যস্ত কৰে। কিষাণগঞ্জ সমষ্টিত বিয়লি ৫ বজালৈ সৰ্বাধিক ৭৬ দশমিক ২-৬ শতাংশ ভোটদান সম্পন্ন হয়। এই পৰ্যায়ত ২০ খনৰো অধিক জিলাৰ ১২২ টা সমষ্টিত ভোটগ্ৰহণ অনুষ্ঠিত হয়। দ্বিতীয় পৰ্যায়ৰ ভোটগ্ৰহণত মুঠ এহেজাৰ ৩০২ গৰাকী প্ৰাৰ্থী আছে। প্ৰাৰ্থীসকলৰ ভিতৰত ১৩৬ গৰাকী মহিলা। উল্লেখযোগ্য যে ৰাজ্যখনত ৬ নৱেম্বৰত হোৱা প্ৰথম পৰ্যায়ৰ নিৰ্বাচনত প্ৰায় ৬৫ শতাংশ ভোটদান সম্পন্ন হৈছিল। অহা ১৪ নৱেম্বৰত নিৰ্বাচনী ফলাফল ঘোষণা কৰা হ'ব।

০০০০

হানয়ত অনুষ্ঠিত ষষ্ঠ ভাৰত-ভিয়েটনাম সৈন্য অনুশীলন ভিনবেক্সৰ উদ্বোধনী অনুষ্ঠানত আজি প্ৰতিৰক্ষা সচিব ৰাজেশ কুমাৰ সিং আৰু ভিয়েটনামৰ উপ মুখ্য জেনেৰেল ষ্টাফ ফুংচিটেনে যুটীয়াভাৱে অধ্যক্ষতা কৰে। প্ৰতিৰক্ষা মন্ত্ৰালয়ে জনোৱা অনুসৰি প্ৰকাশ কৰা অনুসৰি ভিনবেক্স হৈছে ভাৰত আৰু ভিয়েটনামৰ মাজৰ দ্বিপাক্ষিক সামৰিক অনুশীলন। এই অনুশীলনৰ লক্ষ্য হৈছে আন্তঃ সঞ্চালন ক্ষমতা বৃদ্ধি কৰা আৰু ৰাষ্ট্ৰসংঘৰ শান্তি ৰক্ষা অভিযানসমূহত সৰ্বোত্তম অৱদান আগবঢ়োৱা। ইয়াৰ জৰিয়তে প্ৰতিৰক্ষা সহযোগিতা শক্তিশালী কৰি তোলাৰ ওপৰতো গুৰুত্ব আৰোপ কৰা হয়।

০০০০

পাকিস্তানৰ ইছলামাবাদত ন্যায়ালয় ভৱনৰ বাহিৰত আজি সংঘটিত এটা আত্মঘাটি বিস্ফোৰণত কমেও ১২ জন লোকৰ প্ৰাণহানি হোৱাৰ লগতে আন ২১ জন লোক আহত হয়। স্থানীয় আৰক্ষীৰ তথ্য অনুসৰি ন্যায়ালয়ৰ বাহিৰত ৰখাই থোৱা এখন বাহনত বোমাটো বিস্ফোৰণ হয়। পাকিস্তানে যোৱা কেইবছৰমান ধৰি বিশেষকৈ খাইবাৰ পাখতুনখোৱা আৰু বেলুচিস্তানত নিৰাপত্তাজনিত সমস্যাৰ সন্মুখীন হৈ আহিছে। ইফালে পাকিস্তানৰ মানৱ অধিকাৰ আয়োগে খাইবাৰ পাখতুনখোৱাত নিৰাপত্তা আৰু মানৱ অধিকাৰৰ পৰিস্থিতি অধিক অৱনতি ঘটাক লৈ উদ্বেগ প্ৰকাশ কৰিছে।

০০০০

জনজাতীয় পৰম্পৰাসমূহ সংৰক্ষণ আৰু ৰক্ষা কৰাটো সকলোৰে সমূহীয়া দায়িত্ব হোৱা উচিত বুলি মহিলা আৰু শিশু বিকাশ মন্ত্ৰালয়ৰ ৰাজ্যমন্ত্ৰী সাবিত্ৰী ঠাকুৰে মত প্ৰকাশ কৰিছে। নতুন দিল্লীত ৰাষ্ট্ৰীয় জনজাতীয় সাহিত্য মহোৎসৱত দিয়া ভাষণত এই বিষয়ে প্ৰকাশ কৰি তেওঁ কয় যে ভাৰতত বাস কৰা জনজাতীয় লোকসকলৰ এটা বৈচিত্ৰময় আৰু সমৃদ্ধিশালী ইতিহাস আছে। এই ইতিহাসত কিছুমান কাহিনীলৈ ৰূপান্তৰিত কৰি শিশুসকলৰ শিক্ষাৰ বাবে যুগুতাই উলিওৱাৰ লগতে জনজাতীয় সংস্কৃতি আৰু ঐতিহ্যক উদ্‌যাপন কৰাৰ যথেষ্ট থল আছে। শ্ৰীমতী ঠাকুৰে থলুৱা ভাষাসমূহৰ ব্যৱহাৰ ক্ৰমান্বয়ে হ্ৰাস পোৱা আৰু ইয়াৰ লুপ্তপ্ৰায় অৱস্থাৰ বিষয়ে উদ্বেগ প্ৰকাশ কৰে। এই ভাষাসমূহ সংৰক্ষণৰ উদ্দেশ্যে ইংৰাজীৰ দৰে জনপ্ৰিয় ভাষাসমূহৰ আগ্ৰাসনৰ পৰা ইয়াক বচাই ৰখা আৰু অধিক লোকৰ মাজত থলুৱা ভাষাসমূহৰ ব্যৱহাৰৰ প্ৰসাৰ ঘটাবলৈ তেওঁ সকলোৰে প্ৰতি আহ্বান জনায়। মন্ত্ৰীগৰাকীয়ে লগতে স্বাস্থ্যকৰ, স্বাভাৱিক আৰু ভাৰসাম্য জীৱন এটাৰ সন্ধানত সম্প্ৰতি মহানগৰৰ পৰা গ্ৰাম্যাঞ্চললৈ জনসাধাৰণৰ ওলোটাকৈ প্ৰব্ৰজন ঘটাৰ বিষয়টোতো আলোকপাত কৰে।

০০০০

দৃষ্টিহীন মহিলাৰ টি-২০ বিশ্বকাপৰ প্ৰথম সংস্কৰণ নতুন দিল্লীত আজিৰে পৰা অনুষ্ঠিত হৈছে। ৬ টা দল ভাৰত, শ্ৰীলংকা, আমেৰিকা, নেপল, অষ্ট্ৰেলিয়া আৰু পাকিস্তানে এই প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিছে। ভাৰত আৰু শ্ৰীলংকাই যুটীয়াভাৱে অনুষ্ঠিত কৰা এই প্ৰতিযোগিতাৰ অহা ২৩ অক্টোবৰত অন্ত পৰিব। শ্ৰীলংকাৰ কলম্বোত ফাইনেল মেচখন অনুষ্ঠিত হ'ব। উদ্বোধনী অনুষ্ঠানত প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী অনুৰাগ ঠাকুৰ আৰু মীনাক্ষী লেখী উপস্থিত থাকে।

আজি ভাৰত আৰু শ্ৰীলংকাৰ মাজত অনুষ্ঠিত উদ্বোধনী মেছখনত ভাৰতে শ্ৰীলংকাক ১০ উইকেটত পৰাস্ত কৰে।

০০০০

ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ মাজত টেষ্ট ক্ৰিকেট শৃংখলাৰ প্ৰথমখন খেল অহা ১৪ নৱেম্বৰত ক'লকাতাৰ ইডেন গাৰ্ডেনছত অনুষ্ঠিত হ'ব। ভাৰতৰ বিৰুদ্ধে হ'বলগীয়া দুখনীয়া টেষ্ট শৃংখলাত দক্ষিণ আফ্ৰিকা কঠিন প্ৰত্যাহ্বানৰ সন্মুখীন হ'ব বুলি ভাৰতীয় ক্ৰিকেট দলৰ প্ৰাক্তন অধিনায়ক সৌৰভ গাংগুলীয়ে মন্তব্য কৰিছে। বেংগল ক্ৰিকেট সংস্থাৰ অধ্যক্ষ শ্ৰী গাংগুলীৰ মতে এই খেলখনত দুয়োখন দেশৰ মাজত তীব্ৰ প্ৰতিদ্বন্দ্বিতা হ'ব। নতুন বিশ্ব টেষ্ট চেম্পিয়নশ্বিপৰ বাবে এই শৃংখলাটো অত্যন্ত গুৰুত্বপূৰ্ণ হ'ব বুলি ভাৰতীয় দলৰ পে'ছাৰ মহম্মদ চিৰাজেও প্ৰকাশ কৰিছে। তেওঁ কয় যে ভাৰতৰ শেহতীয়া সুন্দৰ ফৰ্ম আৰু ইতিবাচক দলীয় পৰিৱেশে ভাৰতীয় দলটোক আত্ম বিশ্বাসেৰে পৰিপূৰ্ণ কৰি তুলিছে।

ইপিনে, ইডেন গাৰ্ডেনছত হ'বলগীয়া টেষ্ট খেলৰ পৰিপ্ৰেক্ষিতত সমগ্ৰ ক'লকাতাত সুৰক্ষা ব্যৱস্থা কটকটীয়া কৰি তোলা হৈছে। দিল্লীৰ লালকিল্লাৰ সমীপত কালি সংঘটিত বোমা বিস্ফোৰণৰ পাছতে এই ব্যৱস্থা গ্ৰহণ কৰা হৈছে। ক'লকাতাৰ আৰক্ষী আয়ুক্ত মনোজ বাৰ্মাই কয়, যে সমগ্ৰ মহানগৰখনত উচ্চ সতৰ্কতা জাৰি কৰা হৈছে আৰু সুৰক্ষাৰ বিশেষ ব্যৱস্থা লোৱা হৈছে। ইডেন গাৰ্ডেনছত তিনি তৰপীয়া সুৰক্ষাৰ ব্যৱস্থা কৰা হৈছে।

০০০০

ঃঃ সমাপ্ত ঃঃ